**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-07-2025
**Time :** 1715 Hrs

**ASSAMESE EVENING BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বঙাইগাঁও সংমণ্ডলৰ লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা যোশীতা দাসৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্ত চি বি আইলৈ হস্তান্তৰ কৰাত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনাইছে। লোকসভা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয় , যে এই ঘটনাৰ তদন্তৰ বাবে এটা সাতজনীয়া বিশেষ তদন্তকাৰী দল গঠন কৰা হৈছে। মন্ত্ৰীসভাই আজি মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি অসমত থকা কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ অনুষ্ঠানসমূহত ২০২১ চনৰ ১ এপ্ৰিলৰ পৰা ভৰ্তি হোৱা দিব্যাংগ গৱেষকসকলকে ধৰি পূৰ্ণকালীন গৱেষক ছাত্ৰ–ছাত্ৰীসকলক এই আঁচনিত অন্তৰ্ভুক্ত কৰাত অনুমোদন জনায়। ইযাৰ জৰিয়তে প্ৰায় ১০ হাজাৰ ছাত্ৰ–ছাত্ৰী উপকৃত হব বুলি আশা কৰা হৈছে। বদৰপুৰবাসীক নলযোগে খোৱাপানী যোগানৰ বাবে মন্ত্ৰীসভাই ৪৯ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বদৰপুৰ নগৰ পানী আঁচনিত আজি অনুমোদন জনায়। ড০ শৰ্মাই কয় , যে এই আঁচনিৰ জৰিয়তে উন্নত জল ব্যৱস্থাপনা আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি বদৰপুৰ চহৰৰ প্ৰতিটো পৰিয়ালকে ২৪ ঘণ্টাই খোৱাপানী যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইপিনে জল মিত্ৰসকলৰ বিয়োগৰ পাছত তেওঁলোকৰ পৰিয়ালক সকাহ দিয়াৰ বাবে মন্ত্ৰীসভাই মৃত জল মিত্ৰজনৰ পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানতো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাই আজি মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনতো ভালেমান সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি ৮ খন জিলাৰ ২৯৯ খন আবেদন বাৰ্ষিক পট্টাৰ পৰা ম্যাদী পট্টালৈ ৰূপান্তৰ , ১০টা আন্তঃগাঁথনিৰ বাবে ভূমি আৱণ্টন , ডিব্ৰুগড়ত ১১৮ খন আবেদনৰ ক্ষেত্ৰত ভূমিৰ পুনৰ শ্ৰেণী বিভাজন , ৭ খন জিলাৰ ১৯০টা অব্যক্তিগত ন্যায়িক অনুষ্ঠানলৈ ভূমি হস্তান্তৰ আৰু ধেমাজিত এহেজাৰ ৭৪২টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ ভূমি নিষ্পত্তিত অনুমোদন জনোৱা হয়। তদুপৰি ২০১১ৰ পূৰ্বে তিৰাপ জনজাতি অঞ্চলত ভূমিৰ অধিকাৰ থকা আহোম, কোচ–ৰাজবংশী, মৰাণ, মটক, চুতীয়া, গোৰ্খা, চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলক সংৰক্ষিত লোকৰ শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ সমাগত সাধাৰণ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহৰ তত্পৰতা বৃদ্ধি পাইছে। আজি ওদালগুৰি জিলাৰ ভেৰগাঁও মণ্ডলত আয়োজিত এখন দলীয় সাংগাঠনিক সভাত ৰাজ্যিক বিজেপিৰ নেতা আৰু বিধানসভা অধ্যক্ষ বিশ্বজিত্ দৈমাৰী , মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰে। সভাত ভেৰগাঁও অঞ্চলৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ ত্বৰান্বিতকৰণ আৰু জনসাধাৰণ সহযোগিতাৰ আগবঢ়াব পৰা কাৰ্যপদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই

নিৰ্বাচনত মূলতঃ বিপিএফ, ইউ পি পি এল আৰু বিজেপিৰ সমান্তৰালকৈ নৰ শৰণীয়া নেতৃত্বাধীন গণ সুৰক্ষা পাৰ্টিয়েও শক্তিশালী ৰূপত নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। দলটোৱে কালি মিছন সুৰক্ষা ২০২৫ শীৰ্ষক এটা পদযাত্ৰাৰ কাৰ্যসূচীৰে নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰে। বি পি এফৰ সম্ভাব্য মিত্ৰতা সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰী শৰণীয়াই কয় যে এই বিষয়ত এতিয়াও স্পষ্টকৈ কব পৰা হোৱা নাই।

০০০০

কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত ছেছন ন্যায়াধীশ এছ কে কাব্ৰাৰ আদালতে আজি পত্নী হত্যাৰ গোচৰত সেনাবাহিনীৰ মেজৰ গৌৰৱ কুমাৰ সিঙক যাৱজ্জীৱন কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমনা বিহে। ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাত দোষী সাব্যস্ত কৰি মেজৰ সিঙক শাস্তি প্ৰদান কৰে। ২০১৩ চনৰ মে মাহত মেজৰ সিঙে পত্নী প্ৰিয়া সিঙক হত্যা কৰি মৃতদেহটো যোৰাবাটৰ ওচৰৰ খাৱৈত পেলাই দিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰত দীৰ্ঘদিনীয়া শুনানি গ্ৰহণ কৰি আজি আদালতে তেওঁক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি ঘোষণা কৰে।

০০০০

আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ মাধ্যমেৰে অৰ্কিড অভিযানক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যৰে অৰুণাচল প্ৰদেশৰ মুখ্য সচিব মণীষ কুমাৰ গুপ্তা থাইলেণ্ডত থকা ভাৰতৰ ৰাষ্ট্ৰদূত নাগেশ সিঙৰ সৈতে এখন ভাৰ্চুৱেল বৈঠকত মিলিত হয়। তেওঁলোকে অৰ্কিড খেতিৰ বাবে সম্ভাব্য অংশীদাৰিত্ব সন্দৰ্ভত আলোচনা কৰে। অৰুণাচল প্ৰদেশ চৰকাৰে উচ্চমানৰ অৰ্কিড ৰোপণ সামগ্ৰী আৰু কাৰিকৰী বিশেষজ্ঞৰ সহায়ত বৈজ্ঞানিক আৰু বাণিজ্যিকভাৱে অৰ্কিড খেতি কৰাৰ ক্ষেত্ৰত থাই বিনিয়োগকাৰীক আকৰ্ষণৰ বাবে ভাৰতীয় দূতাবাসৰ সমৰ্থন বিচাৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত মুখ্য সচিবগৰাকীয়ে উল্লেখ কৰে যে অৰুণাচল প্ৰদেশ চৰকাৰে এইক্ষেত্ৰত কৃষক, স্বেচ্ছাসেৱী গোট আৰু কৃষি উৎপাদক সংস্থাসমূহক দক্ষ কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি বিশ্ব মানৱ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে। বজালী জিলা সমাজকল্যাণ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত বিচানকুচিত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত ডাইনী সন্দৰ্ভত থকা অন্ধবিশ্বাস দূৰ কৰি বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত জিলা সমাজ কল্যাণ বিষয়া জ্যোতি কুমাৰ দাসে গ্ৰামাঞ্চলত এনেধৰণৰ অন্ধবিশ্বাসৰ কুপ্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। জিলা স্বাস্থ্য বিষয়া ডা০ দিপ্তী চৌধুৰীয়ে কয়, যে ডাইনীৰ আক্ৰমণ বুলি সন্দেহ কৰা বহু লোকৰ ৰোগৰ লক্ষণ প্ৰকৃততে স্বাস্থ্যজনিত কাৰণতে হয় আৰু তেওঁলোকক সময়মতে চিকিৎসা প্ৰদানৰ জৰিয়তেহে আৰোগ্য কৰি পাৰি। এই কাৰ্যসূচীত এনেধৰণৰ কুপ্ৰভাৱৰ পৰা হবপৰা বিপদ আৰু ইয়াৰ আইনী পৰিণতিৰ বিষয়েও জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰা হয়।

০০০০০০

ঃঃ সমাপ্ত ঃঃ